**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————

কেন্দ্ৰীয় চৰকাৰে পঞ্চদশ বিত্তীয় আয়োগৰ একত্ৰিত মঞ্জুৰী হিচাপে অসমলৈ ২১৩ কোটি ৯০ লাখ টকা মোকলাই দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথমটো কিস্তি হিচাপে আৱণ্টিত এই ধন ৰাজ্যখনৰ দুহেজাৰ ১৯২ খন গাঁও পঞ্চায়ত, ১৮২ খন আঞ্চলিক পঞ্চায়ত আৰু ২৭ খন জিলা পৰিষদলৈ মোকলাই দিয়া হৈছে বুলি পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কালি সদৰি কৰে। উল্লেখযোগ্য যে প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰা বিত্তীয় আয়োগৰ ধনৰাশি দুটা কিস্তিত ৰাজ্যলৈ মোকলাই দিয়া হয়। এই একত্ৰিত ধনৰাশি ৰাজ্যৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান তথা গ্ৰাম্য স্থানীয় নিকায়সমূহে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা বিষয়সমূহ নিষ্পত্তিৰ বাবে ব্যয় কৰিব। স্থানীয় নিকায়সমূহে সংবিধানৰ একাদশ অনুসূচীৰ অধীনত ২৯ টা দায়িত্ব নিৰ্বাহৰ বাবে এই ধনসমূহ ব্যয় কৰিব।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত ভাৰত পেভেলিয়নৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ছিনপছিছ, কোৱালকম, এনালগ ডিভাইচেছ, থাৰ্ম' ফিচাৰ, হনিৱেল আৰু হেংকেল আদি বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। এই প্ৰতিষ্ঠানসমূহে নিজ নিজ কৰ্মক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰি ৰাজ্যখনত অংশীদাৰিত্ব কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। এই বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণক সাক্ষাৎ কৰি ফলপ্ৰসূ আলোচনাত মিলিত হয়। ড° শৰ্মাই অসমৰ ছেমি কণ্ডাক্টৰ উদ্যোগক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত টাটা গ্ৰুপৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি কয়, যে বিশ্বৰ মুখ্য অংশীদাৰসকলৰ সৈতে একেলগ হৈ ৰাজ্যখনৰ ঔদ্যোগিক পৰিৱেশ সুদৃঢ় কৰাৰ বাবে অসম চৰকাৰ সংকল্পবদ্ধ। অসমত বিনিয়োগ সম্ভাৱনা অন্বেষণ সন্দৰ্ভত আই বি এমৰ উপাধ্যক্ষ গেৰী ক'নৰ সৈতেও তেওঁ বৈঠকত মিলিত হয়। দক্ষতা বিকাশ, কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু প্ৰযুক্তি সম্পৰ্কীয় পদক্ষেপসমূহৰ সুযোগ আৰু মূল্যায়ন কৰিবলৈ আই বি এমৰ প্ৰতিনিধি দল এটা শীঘ্ৰেই গুৱাহাটীত উপস্থিত হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

উল্লেখযোগ্য যে সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰিছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

oooooo

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী

তিৰা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৰা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০০

৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতা আজি অসমত আৰম্ভ হ'ব। এইবাৰ সপ্তমবাৰৰ বাবে ৰাজ্যৰ ধেমাজী জিলাৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম ফুটবল সন্থাৰ আমন্ত্ৰণ মৰ্মে জিলাখনৰ দুটা স্থানৰ লগতে ঢকুৱাখনাত দেশৰ শীৰ্ষ পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ১৫ খন গুৰুত্বপূৰ্ণ খেল চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। আজি পুৱা ৯ ঢকুৱাখনা ফুটবল ষ্টেডিয়ামত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। প্ৰথম খেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে ৰাজস্থান অৱতীৰ্ণ হ'ব। দিনৰ ১ বজাত অসম আৰু তামিলনাডুৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

০০০০০০

**সমাপ্ত**